কাৰণ সি কেতিয়াও এই কথা কোৱা নাছিল যে, হে মোৰ প্ৰতিপালক! কিয়ামতৰ দিনা তুমি মোৰ গুনাহসমূহ ক্ষমা কৰি দিবা।

আয়িশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই ক'লোঁ, হে আল্লাহৰ ৰাছুল! ইবনু জুদআনে অজ্ঞতা যুগত চিলা ৰহমী কৰিছিল (আত্মীয়তাৰ বন্ধন অটুট ৰাখিছিল), দুখীয়া- দৰিদ্ৰ, অভাৱীক খাদ্য খুৱাইছিল, তাৰ সেইবোৰ কৰ্ম কোনো উপকাৰত আহিবনে? তেখেতে
ক'লেঃ নহয়, কোনো উপকাৰত নাহিব। কাৰণ সি কেতিয়াও এই কথা কোৱা নাছিল যে, হে মোৰ প্ৰতিপালক! কিয়ামতৰ দিনা তুমি মোৰ গুনাহসমূহ ক্ষমা কৰি দিবা। [ছহীহ] [(মুছলিম)]

আব্দুল্লাহ ইবনে জুদআনৰ বিষয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই কথা কৈছে, ইছলামৰ পূৰ্বে তেওঁ কুৰাইশ্বৰ এজন নেতৃস্থানীয় ব্যক্তি আছিল। তেওঁ যিবোৰ নেক আমল কৰিছিল, তাৰে অন্যতম আছিল যে, তেওঁ আত্মীয়তাৰ সম্পৰ্ক অটুট ৰাখিছিল, তেওঁলোকৰ সৈতে ভাল ব্যৱহাৰ কৰিছিল, দুখীয়া-দৰিদ্ৰক খাদ্য খুৱাইছিল। যিবোৰ বিষয় সম্পৰ্কে ইছলামেও মানুহক উৎসাহিত কৰে। এইবোৰ নেক কৰ্ম কৰাৰ পিছতো আখিৰাতত তাৰ কোনো উপকাৰ নহ'ব, কাৰণ সি আল্লাহৰ সৈতে কুফৰী কৰিছিল। লগতে সি কেতিয়াও এই কথা কোৱা নাছিল যে, হে মোৰ প্ৰতিপালক, কিয়ামতৰ দিনা তুমি মোৰ গুনাহ তথা পাপসমূহ মাৰ্জনা কৰি দিবা।

http://www.sunnah.global/hadeeth/as/show/65009